# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)

১১, অশোক ৰোড, নতুন দিল্লী–১১০০০১

ফোনঃ ০১১-২৩০৭০৫৭৭০, ফেক্সঃ ০১১-২৩০০৫৭৮৭


তাৰিখঃ ১ এপ্ৰিল ২০১৩

## প্ৰেছ বিজ্ঞপ্তি

মহাৰাষ্ট্ৰৰ খৰাং প্ৰভাৱিত এলেকাসমূহ ভ্ৰমণ কৰাৰ দুদিনীয়া কাৰ্যসূচীৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি ৰাজনাথ সিং আজি ঔৰাংগাবাদত উপস্থিত হয়। ঔৰাংগাবাদ জিলাৰ পৰা নিজৰ ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰি শ্ৰী সিঙে খেতিয়ক তথা স্থানীয় লোকক সাক্ষাত কৰে। তেওঁলোকে শ্ৰী সিঙক অঞ্চলটোৰ ভয়াবহ খৰাং পৰিস্থিতিৰ বিষয়ে অৱগত কৰে।

চাৰা চবনি আৰু পিম্প্ৰীত খেতিয়কসকলক উদ্দেশ্যি দিয়া ভাষণত শ্ৰী সিঙে কয়, ‘‘খৰাং প্ৰভাৱিত এলেকাত বাস কৰা খেতিয়কসকলে শস্য উৎপাদনৰ ভয়ানক সংকটৰ সন্মুখীন হৈছে। খৰাং পৰিস্থিতিয়ে মহাৰাষ্ট্ৰৰ প্ৰায় ১১,০০০ তকৈও অধিক গাঁৱৰ লগতে ৩,৫০০ তকৈও অধিক গাঁৱৰ প্ৰায় ৫০ শতাংশ শস্য বিনষ্ট কৰিছে।’’

খৰাং প্ৰভাৱিত এলেকাত বাস কৰা খেতিয়কসকলৰ সম্পূৰ্ণ ঋণ মাফ কৰাৰ দাবী কৰি বিজেপি সভাপতি গৰাকীয়ে কয় যে- খেতিয়কসকলক প্ৰয়োজনীয় সামগ্ৰীৰ ক্ষেত্ৰত ৰাজসাহায্য, বিনামূলীয়া বীজ, ৰাজসাহায্যযুক্ত সাৰ তথা গভীৰ জলসিঞ্চনৰ ক্ষেত্ৰত এশ শতাংশ ৰাজসাহায্য অন্ততঃ দুবছৰৰ বাবে প্ৰদান কৰা উচিত। তেওঁ কয়, ‘‘খেতিয়কসকলক সুদবিহীনভাৱে নতুনকৈ ঋণ আগবঢ়োৱাৰ লগতে পশুধনৰ বাবে পশুখাদ্যৰ যোগান নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত।’’

কেন্দ্ৰই খৰাংপীড়িতৰ বাবে ঘোষণা কৰা সাহায্য অপৰ্যাপ্ত বুলি অভিহিত কৰি শ্ৰী সিঙে কয়, ‘‘কেন্দ্ৰীয় চৰকাৰৰ ১২২ কোটি টকীয়া সাহায্য ৰাশি অপৰ্যাপ্ত কাৰণ স্বয়ং ৰাজ্য চৰকাৰে খৰাং পৰিস্থিতিৰ জোৰা মৰাৰ বাবে প্ৰায় ১৮০০ কোটি টকাৰ সাহায্য বিচাৰিছিল। খৰাং পৰিস্থিতিৰ সাহায্যৰ বাবে চৰকাৰে আৱন্টন কৰা ৰাশি বৃদ্ধি কৰা উচিত আৰু এই সাহায্য ৰাশিৰ ব্যৱহাৰৰ ক্ষেত্ৰত চকু ৰখাৰ বাবে চৰকাৰে এক কেন্দ্ৰীয় নিৰীক্ষণ গোট গঠন কৰা উচিত।’’

জলসিঞ্চন প্ৰকল্পৰ ক্ষেত্ৰত বৰ্তমানৰ ৰাজ্য চৰকাৰৰ অভাৱনীয় দুৰ্নীতিৰ বিষয়টোক গৰিহণা দি শ্ৰী সিঙে কয়, ‘‘বহু অভিলাসী জলসিঞ্চন প্ৰকল্পৰ ৰূপায়ণৰ ক্ষেত্ৰত ৭০,০০০ কোটি টকাতকৈও অধিক পৰিমাণৰ কেলেংকাৰী সংঘটিত হোৱাৰ বিপৰীতে যোৱা দহটা বছৰত ৰাজ্যখনৰ মুঠ কৃষিভূমিৰ মাথোঁ ০.১ শতাংশ ভূমিহে জলসিঞ্চন ব্যৱস্থাৰ অন্তৰ্ভুক্ত হৈছে।’’

খৰাং প্ৰভাৱিত এলেকাত জলস্তৰ হ্ৰাস পোৱা বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰি শ্ৰী সিঙে কয়, ‘‘যদিও ৰাজ্যখনে মহাৰাষ্ট্ৰ জলসম্পদ নিয়ন্ত্ৰক কৰ্তৃপক্ষ আইন প্ৰযোজ্য কৰিছে তথাপিও এই আইনে

সাধাৰণ জনসাধাৰণ, কৃষক তথা গ্ৰাম্য এলেকাৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে প্ৰয়োজনীয় পানীৰ ব্যাপক অপব্যৱহাৰ ৰোধ কৰিব পৰা নাই। পানীৰ অপব্যৱহাৰ তথা ইয়াক আন কামত ব্যৱহাৰ কৰাতো ৰোধ কৰাৰ বাবে এই আইনৰ সংশোধন ঘটোৱাতো অতিশয় প্ৰয়োজনীয় হৈ পৰিছে।''

তেওঁ কয়, ''খৰাং পৰিস্থিতিয়ে গ্ৰাম্য এলেকাৰ দৰিদ্ৰ লোক তথা খেতিয়কসকলক কৰ্মসংস্থাপনবিহীন কৰিছে আৰু ইয়াৰ ফলত লোকসকলে গাঁৱৰ পৰা চহৰলৈ ব্যাপক হাৰত ঢাপলি মেলিবলৈ ধৰিছে। চৰকাৰে মহাত্মা গান্ধী এনৰেগা আঁচনিৰ পৰিধি বৃদ্ধি কৰি কৃষিৰ সৈতে ইয়াক সংলগ্ন কৰি এই সমস্যা সমাধান কৰা উচিত।''

শ্ৰী সিঙে লগতে কৃষকসকলক আশ্বাস দিয়ে যে- মহাৰাষ্ট্ৰত দেখা দিয়া খৰাং পৰিস্থিতিৰ সমস্যা সংসদৰ দুয়োখন সদনতে উত্থাপন কৰা হ'ব।

**(অ পি কহলি)**

**মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত**